জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৪৬/২০২২**

**নতুন দিল্লীত লাচিত দিৱস উদ্‌যাপনৰ দ্বিতীয় দিনা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অংশগ্ৰহণ**

## লাচিত বৰফুকনৰ বীৰত্ব, সাহস আৰু ত্যাগৰ গাঁথা সমগ্ৰ দেশতে বিয়পি পৰিব লাগে ঃ অমিত শ্বাহ

## ঔৰংগজেৱৰ পূৰ্ব দিশলৈ সম্প্ৰসাৰণৰ গতি স্তব্ধ কৰিছিল লাচিতে ঃ শ্বাহ

## সমগ্ৰ ভাৰতত লাচিত বৰফুকনক সৰ্বজনবিদিত নাম হিচাপে পৰিচিত কৰি তোলাৰ দিশত মুখ্যমন্ত্ৰী ড° শৰ্মাই লোৱা প্ৰচেষ্টা প্ৰশংসাৰ যোগ্য ঃ শ্বাহ

## ইতিহাসৰ আলোচনাত লাচিত বৰফুকনে উপযুক্ত স্থান লাভ কৰা উচিত ঃ মুখ্যমন্ত্ৰী

## দেৰগাঁও পুলিচ একাডেমীৰ নাম লাচিত বৰফুকনৰ নামেৰে নামাংকৃত কৰাৰ কথা ঘোষণা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ২৪ নৱেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অসম চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা সপ্তদশ শতিকাৰ আহোম সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ তিনিদিনজোৰা ৪০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ পূৰ্ণাংগ অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় গৃহ পৰিক্ৰমা আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আহোম সেনাপতিগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে লাচিত বৰফুকন কেৱল এগৰাকী সেনাপতিয়ে নহয়, তেওঁ দেশপ্ৰেমৰ উজ্জ্বল প্ৰতীক, যাৰ বীৰত্ব, সাহস আৰু ত্যাগৰ গাঁথা কেৱল অসমতে সীমাবদ্ধ হৈ নাথাকি সমগ্ৰ দেশতে বিয়পি পৰিব লাগে।

দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহলৈ মোগল সম্ৰাট ঔৰংগজেৱে যি সম্প্ৰসাৰণবাদী অভিযান গ্ৰহণ কৰিছিল সেয়া লাচিত বৰফুকনে স্তব্ধ কৰিছিল। এই কথা উল্লেখ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠী আৰু সংস্কৃতিকে ধৰি ভূ-খণ্ডত ইছলামীকৰণ প্ৰতিহত কৰাৰ পূৰ্ণ কৃতিত্ব লাচিত বৰফুকনৰ বুলি কয়।

সংখ্যাগত আৰু সামৰিকভাৱে শক্তিশালী মোগল শক্তিৰ বিৰুদ্ধে কূটনীতি আৰু যুদ্ধ কৌশল ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত লাচিত বৰফুকনে প্ৰদৰ্শন কৰা দক্ষতাৰ অধিক অধ্যয়ন আৰু আলোচনা হোৱা উচিত বুলি কেন্দ্ৰীয়গৰাকীয়ে সভাত উল্লেখ কৰে। আগ্ৰাসী মোগল শক্তিৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহক সংগঠিত কৰি এক ঐক্যবদ্ধ শক্তিৰূপে গঢ়ি তোলাৰ দিশত লাচিত বৰফুকনে লোৱা ভূমিকাৰ বিষয়ে তেওঁ প্ৰশংসা কৰে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আধুনিক যুগৰ ইতিহাসবিদসকলক তেওঁলোকৰ পূৰ্বসুৰীসকলে লাচিত বৰফুকনৰ বীৰত্বৰ গাঁথাৰ প্ৰতি প্ৰকাশ কৰা অৱহেলা পৰিহাৰ কৰি অনাগত দিনত এই মহান সেনাপতিগৰাকীক ইতিহাসৰ অধ্যয়ন তথা আলোচনাসমূহত উচিত স্থান নিশ্চিত কৰাৰ দিশত কাম কৰিবলৈ আহ্বান জনায়।

আক্ৰমণকাৰীৰ পৰা মাতৃভূমিক ৰক্ষা কৰি লাচিত বৰফুকনে প্ৰদৰ্শন কৰা অদম্য সাহস আৰু বীৰত্বক জনপ্ৰিয় কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা পদক্ষেপক কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। ৰাষ্ট্ৰীয় ৰাজধানীত লাচিতৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনে অনাগত দিনত লাচিত বৰফুকনক এক সৰ্বজনবিদিত নাম হিচাপে পৰিচিত কৰি তোলাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মহান আহোম সেনাপতিগৰাকীৰ বীৰত্বপূৰ্ণ জীৱনগাঁথাৰ ওপৰত এখন গ্ৰন্থ দেশৰ কমেও দহটা স্বীকৃতিপ্ৰাপ্ত ভাষাত প্ৰকাশ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনায়। ইয়াৰ দ্বাৰা সমগ্ৰ ভাৰতৰে চুকে-কোণে থকা জনসাধাৰণৰ মাজত লাচিতৰ আদৰ্শ বিয়পোৱাত সহায়ক হ'ব বুলি তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আজি সমগ্ৰ অসমবাসীৰ বাবে এক গৌৰৱৰ দিন। নতুন দিল্লীত পোন প্ৰথমবাৰৰ বাবে মহাবীৰ লাচিত বৰফুকনৰ সন্মানত শ্ৰদ্ধাঞ্জলি জনাবলৈ এনে এক বিশাল অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেওঁ কয় যে ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিয়ে সকলোকে আনন্দিত কৰিছে। কাইলৈ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাচিত বৰফুকনৰ জন্মজয়ন্তী অনুষ্ঠানৰ সমাপন সমাৰোহত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে লাচিত বৰফুকনৰ এই জয়ন্তী উদ্‌যাপনে অসমীয়া জাতিক পুনৰ এবাৰ একত্ৰিত কৰিলে। অসমীয়া জাতিৰ গৌৰৱশালী ইতিহাস ভাৰতবৰ্ষৰ চুকে-কোণে বিয়পি পৰিল। লাচিত বৰফুকনে যেনেকৈ এদিন অসমৰ সভ্যতা সংস্কৃতি ৰক্ষা কৰিছিল, সেইদৰে গৌৰৱী অসমীয়া জাতিয়ে আকৌ এবাৰ নিজকে ভাৰতবৰ্ষৰ এটা উন্নত, বিকশিত আৰু সৰ্বশ্ৰেষ্ঠ জাতি তথা দেশৰ ভিতৰতে এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে নিজকে উদ্ভাষিত কৰাৰ বাবে মহান বীৰগৰাকীৰ আদৰ্শৰে নিজকে সমৰ্পণ কৰিবলৈ তেওঁ ৰাজ্যবাসীক আহ্বান জনায়।

সভাত ভাষণ প্ৰদান কৰি মোগলৰ পূৰ্ব দিশলৈ সম্প্ৰসাৰণ স্তব্ধ কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে লাচিত বৰফুকনক কৃতিত্ব প্ৰদান কৰে। লাচিত বৰফুকন নহ'লে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ সভ্যতা আৰু সাংস্কৃতিক পৰিচয়ে আজিৰ তুলনাত অন্য ৰূপ ল'লেহেতেন বুলি মুখ্যমন্ত্ৰীয়ে পুনৰ উল্লেখ কৰে। ৰজা পৃথুৰ সময়ৰ পৰা লাচিত বৰফুকনলৈকে অসমৰ জনসাধাৰণে ইছলামিক আগ্ৰাসনৰ বিৰুদ্ধে থিয় দিয়াৰ পৰম্পৰাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সভাত বক্তব্য আগবঢ়ায়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ইতিহাসৰ আলোচনা চক্ৰত লাচিত বৰফুকনক উপযুক্ত স্থান দিয়া হোৱা নাই বুলি আক্ষেপ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে অনাগত দিনত এই ধাৰাৰ বিপৰীতে লাচিত বৰফুকনৰ জীৱন আৰু কৰ্মক অধিক স্বীকৃতি প্ৰদান কৰাৰ দিশত বহু লোকে স্বেচ্ছাই আগবাঢ়ি আহিব বুলি আশা প্ৰকাশ কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে উপযুক্ত প্ৰচাৰৰ অভাৱত লাচিত বৰফুকনৰ খ্যাতি আৰু বৈভৱ এতিয়াও অসমৰ সীমা অতিক্ৰম কৰি আগুৱাই যোৱা নাই। বীৰগৰাকীৰ সামৰিক প্ৰতিভাৰ প্ৰতি স্বীকৃতি প্ৰদান কৰি ১৯৯৯ চনৰ পৰা নেশ্বনেল ডিফেন্স একাডেমীৰ শ্ৰেষ্ঠ কেডেটগৰাকীক লাচিত বৰফুকন স্বৰ্ণ

পদক দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰি কয় যে এই মহান বীৰ গৰাকীৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে অসম চৰকাৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। লাচিত বৰফুকনৰ জীৱন আৰু গৌৰৱগাঁথা প্ৰদৰ্শন কৰিবৰ বাবে নতুন দিল্লীকে ধৰি ৰাজ্যজুৰি ব্যাপক কাৰ্যসূচী আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অন্তৰ্গত ১৮ ৰ পৰা ২৫ নৱেম্বৰলৈ ৰক্তদান শিবিৰ, বৃক্ষ ৰোপণ, সাংস্কৃতিক আদি বিভিন্ন কাৰ্যসূচী সমগ্ৰ অসমত ৰূপায়ণ কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে এই বীৰ যোদ্ধাগৰাকীক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিবৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম চৰকাৰে “লাচিত বৰফুকন— আছাম হিৰ’ হু হলটেড দ্যা মোগলছ্” নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰিছে। এই গ্ৰন্থখন প্ৰসিদ্ধ ইতিহাসবিদ আৰু লেখকৰ দ্বাৰা লাচিত বৰফুকনৰ জীৱনৰ বিভিন্ন ঘটনা প্ৰৱাহৰ ওপৰত লিখা নিৱন্ধৰ এক সংগ্ৰহ। তেওঁ কয় যে লাচিত বৰফুকনৰ জীৱনৰ ওপৰত এখন তথ্য চিত্ৰও প্ৰস্তুত কৰা হৈছে। তদুপৰি, লাচিত বৰফুকনৰ সম্পৰ্কে জনসাধাৰণক মনৰ ভাৱ ব্যক্ত কৰাৰ সুযোগ দিয়াৰ উদ্দেশ্যে নিৱন্ধ লেখা কাৰ্যসূচীও আয়োজন কৰা হৈছিল। ইয়াৰ বাবে এক পোৰ্টেলৰ যোগেৰে জনসাধাৰণক নিৱন্ধ লিখিবলৈ আহ্বান জনোৱা হৈছিল। তেওঁ কয় যে বৰাক উপত্যকাৰ বঙালী সম্প্ৰদায়, বড়ো সমাজ, হিন্দীভাষী লোক আদিকে ধৰি অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকক সামৰি এতিয়ালৈ ৩৮ লাখ লোকে লাচিত বৰফুকনৰ ওপৰত নিৱন্ধ ৰচনা কৰিছে। লাচিত বৰফুকনৰ জন্মজয়ন্তী আয়োজনৰ জৰিয়তে অসমত এক বিশাল সমন্বয় সাধন হ’ল আৰু মহান অসমীয়া জাতিয়ে পুনৰ বল পালে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে অসম চৰকাৰে যোৰহাট জিলাৰ হোলোঙাপাৰত আহোম সেনাপতি লাচিত বৰফুকনৰ মৈদামত এক বিশাল স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ পদক্ষেপ ৰূপায়ণ কৰিছে। ৫০ বিঘা ভূমিৰ পৰিসৰত এই স্মাৰক নিৰ্মাণ কৰা হ’ব আৰু ইয়াত সভাঘৰ, অতিথিশালা, সংগ্ৰহালয় আৰু অনুসন্ধান কেন্দ্ৰ স্থাপন কৰা হ’ব বুলি তেওঁ কয়। তদুপৰি, লাচিত বৰফুকনৰ ১৫০ ফুট উচ্চ এক প্ৰতিমূৰ্তিও এই স্মাৰক ক্ষেত্ৰত স্থাপন কৰা হ’ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে ১৬৬৯ চনৰ আলাবৈ ৰণৰ স্মৃতি সংৰক্ষিত কৰিবৰ বাবে আলাবৈ যুদ্ধ স্মাৰক স্থাপনৰ বাবে পদক্ষেপ হাতত লৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে হায়দৰাবাদস্থিত ৰাষ্ট্ৰীয় পুলিচ একাডেমীত লাচিত বৰফুকনৰ সন্মানাৰ্থে এক স্মাৰক ভৱন নিৰ্মাণৰো পৰিকল্পনা গ্ৰহণ কৰিছে। আনহাতে, অসমৰ দেৰগাঁও পুলিচ একাডেমীক আজিৰে পৰা লাচিত বৰফুকনৰ নামত সমৰ্পণ কৰাৰ কথা মুখ্যমন্ত্ৰীয়ে সভাত ঘোষণা কৰে।

আজিৰ এই সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, সাংসদ তপন কুমাৰ গগৈ, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ, অসম চৰকাৰৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**অয়ন / বীঃগঃ / হেঃশঃ**
**২৪/১১/২০২২**